# প্ৰস্তাৱনা

**০.০১ বিষয়বস্তু নিৰ্বাচনৰ উদ্দেশ্য ঃ**

অতি প্ৰাচীনকালৰপৰাই মায়ং অঞ্চলে দেশী-বিদেশী পৰ্যটকক আকৃষ্ট কৰি আহিছে। সমগ্ৰ অসমেই মন্ত্ৰ আৰু বনৌষধিৰ বাবে বিখ্যাত যদিও মায়ঙৰ মন্ত্ৰ আৰু বেজালিৰ এক সুকীয়া ঐতিহ্য আছে।

মায়ং অঞ্চলটোত প্ৰচলিত হৈ থকা লোকসাহিত্যৰ সমলসমূহৰ পৰ্যাপ্ত গৱেষণা বৰ্ত্তমানো হোৱা নাই। অঞ্চলটোত লুকাই থকা লোকসাহিত্যৰ সমলসমূহ পোহৰলৈ আনি বিদ্বৎ সমাজৰ আগলৈ উলিয়াই দিয়াৰ বাবে "মায়ঙৰ লোকসাহিত্য ঃ মন্ত্ৰ সাহিত্যৰ বিশেষ অধ্যয়ন" শীৰ্ষক বিষয়বস্তু নিৰ্বাচন কৰা হৈছে।

**০.০২ গৱেষণাৰ প্ৰয়োজনীয়তা ঃ**

লোকসাহিত্য (Folk literature) জনজীৱনৰ দাপোণ স্বৰূপ। কোনো এটা জাতিৰ জ্ঞান-বিশ্বাস, স্বভাৱ-চৰিত্ৰ, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি, আনন্দ-উৎসৱ, লোকবিশ্বাস, ধৰ্মনীতি আদি প্ৰাণৱন্ত হৈ উঠে জাতিটোৰ লোকসাহিত্যৰ মাজেদি।

লোকসাহিত্য হৈছে মানুহৰ মুখে মুখে প্ৰচলিত গীত, পদ, ফকৰা-যোজনা, সাঁথৰ, সাধুকথা ইত্যাদি। যুগ যুগ ধৰি মানুহৰ মৌখিক পৰম্পৰাত এই উপাদানসমূহ উজ্জীৱিত হৈ আহিছে।

ভাৰত ভূখণ্ডৰ পূব প্ৰান্তত অৱস্থিত অসম ৰাজ্যৰ অন্তৰ্গত জিলাসমূহৰ ভিতৰত মৰিগাঁও অন্যতম। ইয়াৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অঞ্চল মন্ত্ৰ সাহিত্যৰ ক্ষেত্ৰত একক বৈশিষ্ট্যৰে সমুজ্জ্বল হৈ আছে। মন্ত্ৰৰ বাবে প্ৰাচীন কামৰূপ বা অসম বিখ্যাত যদিও ক'লা যাদু (Blak Magic)ৰ বাবে মায়ং অঞ্চল বৰ্তমানো বিখ্যাত। মন্ত্ৰ আৰু বনৌষধিসমূহৰ অধ্যয়নে মায়ং অঞ্চলত জীৱিকা বা বৃত্তি হিচাপে গ্ৰহণ কৰা লোকসমাজৰ জীৱন্ত চিত্ৰ এখন পোহৰলৈ অনাত সহায়ক হ'ব। বৈজ্ঞানিক দৃষ্টিভংগীৰে অঞ্চলটোৰ লোকসাহিত্যৰ গৱেষণা তথা চিন্তা-চৰ্চাৰ প্ৰয়োজনীয়তা অস্বীকাৰ কৰিব নোৱাৰি। এই উদ্দেশ্য আগতলৈ

ঠাইখনৰ গাঁৱলীয়া সমাজখনত থুপখাই থকা লোক সাহিত্যৰ বিবিধ উপাদানৰ পদ্ধতিগতভাৱে চিন্তাচৰ্চাৰ কাম হাতত লোৱা হৈছে।

**০.০৩ গৱেষণাৰ বিষয়বস্তু আৰু পৰিসৰ ঃ**

অসমৰ অন্যান্য অঞ্চলৰ দৰে মায়ং অঞ্চল লোক-সাহিত্যত চহকী। মায়ঙৰ লোক-সাহিত্যৰ প্ৰসংগত মন্ত্ৰ সাহিত্যৰ বিশেষ অধ্যয়নতে আমাৰ গৱেষণা সীমিত কৰা হ'ব।

**০.০৪ সমল ঃ** প্ৰস্তাৱিত গৱেষণাৰ মুখ্য সমল হিচাপে ক্ষেত্ৰ অধ্যয়নত গুৰুত্ব দিয়া হৈছে। এই ক্ষেত্ৰত প্ৰয়োজনবোধে কেমেৰা আৰু টেপ-ৰেকৰ্ডাৰো ব্যৱহাৰ হৈছে। প্ৰস্তাৱিত বিষয়টোৰ গৌণসমল হ'ল গ্ৰন্থ অধ্যয়ন। এই ক্ষেত্ৰত ইংৰাজী, বঙলা, সংস্কৃত আদি বিভিন্ন ভাষাত বিভিন্নজনে লিখা আৰু প্ৰকাশিত বিভিন্ন ন-পুৰণি পুথি-পাঁজিৰপৰা প্ৰয়োজনবোধে সমল আহৰণ কৰা হ'ব।

**১। মুখ্য সমল ঃ**

ক) ক্ষেত্ৰ অধ্যয়নৰ যোগেদি লাভ কৰা তথ্যপাতি, সাক্ষ্যৎকাৰৰ যোগেদি লাভ কৰা তথ্যপাতি ফটো সংগ্ৰহ টেপ-ৰেকৰ্ডাৰ, ভিডিঅ' ৰেকৰ্ডিং ইত্যাদি।

খ) বংশাৱলী

গ) সমালোচনামূলক গ্ৰন্থ

**২। গৌণ সমল ঃ**

ক) গৱেষণামূলক গ্ৰন্থ

খ) গৱেষণা পত্ৰিকা

গ) সাহিত্য আলোচনী

ঘ) সাহিত্যৰ ইতিহাস

**০.০৫ পদ্ধতি ঃ**

প্ৰস্তাৱিত বিষয়টোৰ সমীক্ষা দণ্ডি ধৰিবলৈ প্ৰতিটো তথ্য বা তত্ব অৰ্ন্তসাক্ষ্য আৰু

বৰ্হিসাক্ষ্যৰ ভিত্তিত বিচাৰ কৰি শুদ্ধাশুদ্ধ নিৰ্ণয় কৰাৰ চেষ্টা কৰা হ'ব। ইয়াত ঘাইকৈ প্ৰয়োগিক গৱেষণাৰ বিশ্লেষণাত্মক পদ্ধতি (Analytical Method of Applied research) অৱলম্বন কৰি এই গৱেষণা কৰ্ম প্ৰস্তুত কৰাৰ প্ৰয়াস কৰা হৈছে।

**০.০৬ গৱেষণা ক্ষেত্ৰ ঃ**

মৰিগাওঁ জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত মায়ং অতি প্ৰাচীন কালৰপৰাই তন্ত্ৰ-মন্ত্ৰৰ বাবে বিখ্যাত। মৰিগাওঁ জিলাৰ মৌজাসমূহৰ ভিতৰত মায়ং মৌজা অন্যতম। ইয়াৰ মাটিকালি ৮০.২৮ বৰ্গ কিলোমিটাৰ। এই মৌজাৰ অন্তৰ্গত মায়ং গাওঁ পঞ্চায়তৰ ভিতৰত ১৯খন গাঁও আছে। মায়ং বুলিলে প্ৰকৃততে এই অঞ্চলটোকে বুজায়। এই অঞ্চলৰ পৰাই জনপ্ৰব্ৰজন হৈ মায়ঙৰ লোকসংস্কৃতিয়ে ওচৰ-চুবুৰীয়া অঞ্চলকো পল্লৱিত কৰিছে। ২০১১ চনৰ লোক পিয়ল অনুসৰি অঞ্চলটোৰ জনসংখ্যা ১২০৪৪জন। ইয়াৰে ৬১৮৮জন পুৰুষ আৰু ৫৮৭৪গৰকী মহিলা। মুঠ জনসংখ্যাৰ ৬৫.৮ শতাংশ শিক্ষিত। তেওঁলোকৰ ভিতৰত অনূসূচিত জাতিৰ মুঠ জনসংখ্যা ৩৭৮৫ আৰু অনুসূচিত জনজাতিৰ জনসংখ্যা ২৭৭জন।

উজনি আৰু নামনি অসমৰ মধ্যস্থলত এই অঞ্চলটো অৱস্থিত।

**ভৌগোলিক অৱস্থিতি ঃ**

মায়ঙৰ উত্তৰে বিশাল ব্ৰহ্মপুত্ৰ নৈ আৰু বোকনি মৌজা, দক্ষিণে কামৰূপ জিলা আৰু মেঘালয়, পূবে উত্তৰ খোলা, নিজ তেতেলিয়া, পশ্চিমে কামৰূপ জিলা।

মায়ং অঞ্চলৰ প্ৰধান বিল কেইখন হৈছে পকৰীয়া, গৰঙা, মৰিসুঁতি, দীঘলনাৰায়ণ, দৈপৰা, মনহা, নেকেৰা-হাৰিয়া, নন্দনী, কাড়মাৰি, ডিমালজান, বসুন্ধৰা।

**জলবায়ু ঃ** অসমৰ অন্যান্য ভৈয়াম অঞ্চলৰ দৰে মায়ঙৰ জলবায়ু প্ৰধানকৈ নাতিশীতোষ্ণ বুলিব পাৰি। জেঠৰ পৰা ভাদমাহলৈকে জলবায়ু গৰম আৰু আঘোণৰ পৰা মাঘলৈকে ঠাণ্ডা পৰে।

**মায়ং অঞ্চলৰ ঐতিহ্য ঃ**

মায়ং অঞ্চল মন্ত্ৰ আৰু বেজালি বৃত্তিৰ বাবে সমগ্ৰ ভাৰতৰ ভিতৰতে প্ৰসিদ্ধ।

মৰিগাঁও জিলাৰ পশ্চিম প্ৰান্তত অৱস্থিত এই অঞ্চলটো অতি প্ৰাচীন কালৰপৰাই তন্ত্ৰ মন্ত্ৰ প্ৰধান অঞ্চল হিচাপে পৰিচিত।

অতি প্ৰাচীন কালৰপৰা এই অঞ্চলটো বিভিন্ন ৰজাৰ অধীনত থকাৰ তথ্য বুৰঞ্জীয়ে দিয়ে।[১] অঞ্চলটো একাদশ শতিকালৈকে কামৰূপ ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল আৰু পিছত কছাৰী ৰজা হেড়ম্বৰ অধীনলৈ আহে। কছাৰী ৰাজ্যৰ পশ্চিম সীমা আছিল মায়ং আৰু গোভা।[২]

পৰবৰ্ত্তী যুগত আহোম ৰজাই কছাৰী ৰাজ্য জয় কৰি আহোম ৰাজ্যৰ অন্তৰ্ভূক্ত কৰে। আহোম ৰজাসকলৰ দিনৰপৰাই মায়ং অঞ্চলে প্ৰশাসনীয় দিশৰ বিশেষ প্ৰাধান্য লাভ কৰে। স্বৰ্গদেউ জয়ধবজ সিংহৰ দিনত মায়ং অঞ্চলৰে জাগীত এখন চকী স্থাপন কৰি চকীয়াল বিষয়া নিযুক্ত কৰাৰ কথা দাঁতিয়লীয়া বুৰঞ্জীত উল্লেখ কৰা হৈছে। আহোম ৰজা জয়ধ্বজ সিংহৰ দিনত ৰহা, জাগী আদিত চকী স্থাপন কৰিছিল।[৩]

দাঁতিয়লীয়া বুৰঞ্জীৰপৰা জনা যায় যে নগাঁৱৰ পশ্চিমাঞ্চলত ভালেকেইজন সৰু সৰু ৰজা আৰু ৰাজ্য আছিল। এই ৰজাসকলক বুৰঞ্জীত 'নগএগ্ৰা ৰজা পোৱালি' বুলি উল্লেখ কৰিছে।[৪] মায়ং তথা জাগী চকী অঞ্চলৰ এনে ৰজাসকলেই 'সাতোৰজা' ৰূপে প্ৰসিদ্ধ।

'সাতৰজা' কথাষাৰে কুমৈ ৰজা, কুমৈ কছাৰী ৰজা, বঘৰা ৰজা, ঘৰাৰা ৰজা, তৰাণী ৰজা, গুখনাগুগ ৰজা আৰু তেতেলীয়া ৰজা এইকেইজনা ৰজাক সূচায়। ইয়াৰ

---

১ নাথ, জীৱকান্ত; মায়ঙীয়া উপভাষা পৃ. ৭

২ "...Subsequently, it seems, the kamrupa kings absorbed the kapili valley within their kingdom. The Copperplate inscription of Harjarvarman has been found at Hayuthal within the Kapili Valley, indicating that in the ninth century A.D. this area was within the Kamrupa Kingdom. When the power of the Kampupa kings wonded after the eleventh century, the Hedamaba (kachari) kings extended dominions, in the south bank of the Brahmaputra, as far as the Dikhan river on the east and as for as Mayang and Gobha towards the west." Baruah Kanklal : Studies in the Early History of Assam, (The Ancient Kingdom in the Kapili Vally). p.106-107

৩ ভূএগ্ৰা, সূৰ্যকুমাৰ; (সম্পা.) দাঁতিয়লীয়া বুৰঞ্জী, (দেওধাই বুৰঞ্জীৰ অন্তৰ্গত) ১৯৬২, পৃ. ১৩০

৪ প্ৰাগুক্ত গ্ৰন্থ পৃ. ১৪৩

বাহিৰেও এই অঞ্চলত চহৰি, নেলী, খলা আৰু গোভা নামৰ চাৰিখন দাঁতিয়লীয়া ৰাজ্য গঢ়ি উঠিছিল।[৫]

মৰিগাওঁ জিলাৰ সাতোৰাজ্যৰ এলেকাৰ বাহিৰত পশ্চিম প্ৰান্তত এক বিস্তৃত অঞ্চলজুৰি এখন স্বতন্ত্ৰ ৰাজ্য আছিল, যাক মায়ং ৰাজ্য বুলি কোৱা হয়।[৬] মায়ং ৰাজবংশাৱলী গৈদ বা মায়ং ৰাজ্যৰ বুৰঞ্জীমতে ঘটোৎকচৰ পৰা আৰম্ভ কৰি একৈশজন ৰজাই ডিমাপুৰত ৰাজধানী পাতি কছাৰী ৰাজ্যত ধাৰাবাহিকভাৱে ৰাজত্ব কৰে।

ৰাজবংশাৱলীৰ মতে তেওঁলোক দ্বিতীয় পাণ্ডৱ ভীম আৰু হিড়িম্বাৰ পুত্ৰ ঘটোৎকছৰ বংশধৰ। তেওঁলোকৰ উপৰিপুৰুষ ঘটোৎকছে হিড়িম্বাপুৰত ৰাজত্ব কৰিছিল আৰু ৰাজধানী আছিল মাইবং। শূইনত্ব সিংহ সেই বংশৰেই ৰাজকুমাৰ আছিল। গতিকে মায়ঙৰ ৰাজবংশটোৱেও শূইনত্ব সিংহৰেই বুলি গৌৰৱবোধ কৰে।[৭]

মায়ং ৰাজ্যৰ উৎপত্তি সম্পৰ্কে বহু প্ৰবাদ প্ৰচলিত হৈ আহিছে। ৰাজমোহন নাথে আগবঢ়োৱা তথ্য মতে বংগদেশৰ ৰজা জয়পালৰ সেনাপতি মায়নে কাজলীত এখন নতুন ৰাজ্য প্ৰতিষ্ঠা কৰিছিল। সেয়ে মায়নৰ নামানুসৰি উক্ত ৰাজ্যখনৰ নাম মায়ং হয়। বংগদেশৰ ৰজা ৰামপালে কামৰূপৰ পঞ্চম বাহিনী তথা গৃহযুদ্ধৰ সুযোগ লৈ, ধৰ্মপালে সন্যাস লোৱাত জয়পাল সিংহাসনত বহিল। তেতিয়া ৰামপালে মায়ন (Mayan) নামৰ এজন সেনাপতিক এদল শক্তিশালী সৈন্য দি কামৰূপ আক্ৰমণ কৰিছিল। দুৰ্বল ৰজা জয়পাল সহজেই পৰাস্ত হ'ল। তেতিয়া মায়নে গুৱাহাটীৰ পূবত কাজলীমুখত ৰাজধানী পাতে আৰু ৰাজধানীৰ নাম দিলে 'মায়ং গড়' (Mayangarh)। এই ঠাই বৌদ্ধ তান্ত্ৰিক ভিক্ষুকসকলৰে ভৰি পৰিছিল। এই ঠাইখন এতিয়া মায়ং নামে জনাজাত।[৮]

---

৫ নাথ, জীৱকান্ত; মায়ঙীয়া উপভাষা পৃ. ৮

৬ বুঢ়াগোঁহাঞি, বিৰিঞ্চিধৰ (সম্পা.); মৰিগাঁও জিলাৰ বুৰঞ্জী, পৃ. ১৩১

৭ নাথ, উৎপল (সম্পা.) ঃ কালশিলা স্মৃতিগ্ৰন্থ, ইতিহাসে গৰকা মায়ঙৰ অতীত আৰু বৰ্তমান, লোকেন্দ্ৰ হাজৰিকা, পৃ. ১৫

৮ নাথ, ভৱকান্ত (অনু) ঃ অসমীয়া সংস্কৃতিৰ পটভূমি, ৰাজমোহন নাথ, 'The Background of the Assamese Culture' পৃ. ৭৬-৭৭

**পবিতৰা অভয়াৰণ্য ঃ**

মায়ঙ অঞ্চলৰ দক্ষিণফালে হাদুগ-গৰঙা বিলৰ পাৰতে পবিতৰা অভয়াৰণ্য। পবিতৰাত গড়ঁৰ পদার্পণ হয় ১৯৪০ চন মানত।[৯] ১৯৭১ চনৰ ১৮ নবেম্বৰত এক চৰকাৰী অধিসূচনাৰ দ্বাৰা ১৫৮৬.৭৬ হেক্টৰ অর্থাৎ ১২০০ বিঘা মাটিৰ এলেকা সামৰি পবিতৰা সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা হয়। ইয়াৰ পিছত ১৯৮৭ চনৰ ১৬ জুলাইৰ দিনা চৰকাৰী অধিসূচনা (নং এফ দব্লিউ আৰু /১৯/৮৭/৩৯) মতে বর্দ্ধিত পৰিসীমাৰে পবিতৰাক অভয়াৰণ্য হিচাপে ঘোষণা কৰে। অৱশ্যে ১৯৯৮ চনৰ ১৭ মার্চতহে এই সংক্রান্তীয় অন্তিমখন জাননী জাৰী কৰা হয়। বর্ত্তমান এই অভয়াৰণ্যখনক কেন্দ্র কৰি দেশী-বিদেশী পর্যটকৰ আগমনে অঞ্চলটোৰ অর্থনৈতিক বিকাশত যথেষ্ট সহায় কৰিছে।

ইতিহাস আৰু অলেখ কিম্বদন্তী কাহিনীয়ে বিৰাজ কৰি থকা এই বৃহৎ অঞ্চলটিয়েই আমাৰ প্রস্তাৱিত গৱেষণাৰ ক্ষেত্র। এই পৰিসীমাৰ মাজত বাস কৰা লোকসকলৰ মাজত মৌখিকভাৱে বিভিন্ন লোকগীত গদ্যধর্মী লোককথা, সাঁথৰ, প্রবচন-ফকৰা, মন্ত্র আদি দীর্ঘদিন ধৰি প্রচলিত হৈ আহিছে।

**০.০৭ সামাজিক ইতিহাস ঃ**

মায়ং আঞ্চলিক পঞ্চায়তৰ অন্তর্গত অঞ্চলটোত ১৯খন গাঁও আছে। গাওঁবিলাক সুপৰিকল্পিতভাৱে গঠিত। বুৰঞ্জীখ্যাত মোমাই তামুলী বৰবৰুৱাই তেওঁৰ তত্বাৱধানত গাঁও স্থাপন কৰিছিল।

গাঁৱৰ পুখুৰীসমূহৰ লগত বিভিন্ন কিম্বদন্তী জড়িত হৈ আছে। অঞ্চলটোৰ গাঁৱৰ কোনো কোনো নামৰ পিছত চুবা, খেল, বন্ধা, বাৰী, পুৰ ইত্যাদি শব্দৰে সূচিত কৰা দেখা যায়।

**গৃহ-নির্মাণ পদ্ধতি (The Home Stead) ঃ**

গৃহনির্মাণত উৎকৃষ্ট জলবায়ু আৰু অর্থনৈতিক স্বচ্ছলতা এই দুয়োটা কথাই নিহিত হৈ থাকে। ব্রহ্মপুত্রৰ দাঁতিকাষৰীয়া আৰু চাৰিওফালে পাহাৰে আঁবৰা অঞ্চল

৯ সংবাদদাতা ঃ নাথ, দিপন চন্দ্র ৰজামায়ং (৭৮)

হিচাবে মায়ং অঞ্চলৰ জলবায়ু সেমেকা। শীতকালত শীতৰ প্ৰকোপো অধিক। কুঁৱলীৰো প্ৰভাৱ অত্যন্ত বেছি। বৰ্ত্তমান ইটা, বালিৰে নিৰ্মিত ঘৰ-দুৱাৰ। কিন্তু এতিয়াও কাঠ-বেত-খেৰেৰে নিৰ্মিত বহুতো ঘৰ এই অঞ্চলত বিদ্যমান। নঙলা বাঁহৰেই সাজি তামোলৰ গছ খুঁটা হিচাপে ব্যৱহাৰ কৰা হয়। প্ৰায় প্ৰতিঘৰ মানুহৰ ঢেঁকী আৰু তাঁতশাল দেখিবলৈ পোৱা যায়। আগৰ দিনত সৰিয়হ তেলপেৰা যন্ত্ৰ আছিল। এই কাৰ্যক লৈয়ে তেল পেৰা গীত ৰচিত। বৰ্ত্তমান ধান-মাহ-সৰিয়হ খুন্দিব পৰা যন্ত্ৰৰ প্ৰচলন হোৱা দেখিবলৈ পোৱা যায়।

**জীৱিকা বা বৃত্তি ঃ**

চাৰিওফালে পাহাৰে আৱৰা মাজত বিস্তীৰ্ণ পথাৰ আদিৰে সমৃদ্ধ অঞ্চলটো খেতিৰ বাবে উপযোগী। বেছিভাগ লোকেই কৃষি কৰ্মত নিয়োজিত।

মায়ঙ অঞ্চলৰ এসময়ৰ প্ৰধান জীৱিকাৰ ভিতৰত বেজালি আছিল অন্যতম। অঞ্চলটোৰ চুৰাবেজ খ্যাত মুহিৰাম নাথে বেজালি বৃত্তিৰ কাৰণে জনাজাত আছিল। বৰ্ত্তমান শশীন্দ্ৰ নাথ, ওপৰসিং নাথ, লোহিত ডেকা, তিলক হাজৰিকা আদিয়ে এনে বৃত্তিত বুৎপত্তি লাভ কৰিছে। অন্যান্য বৃত্তিধাৰী লোকৰ সংখ্যাও কম নহয়।

বয়ন শিল্প, মৌপালন, হাঁহ, কুকুৰা, গো-পালন, আদিও কম বেছি পৰিমাণে বৃত্তি হিচাপে গ্ৰহণ কৰা দেখা যায়।

**যাতায়াত ব্যৱস্থা ঃ**

অতি প্ৰাচীন কালত দুৰ্গম বুলি অভিহিত মায়ং অঞ্চলৰ পথ যোগাযোগ ব্যৱস্থা অনুন্নত আছিল। বৰ্ত্তমান গুৱাহাটীৰ নাৰেংগীৰ পৰা চন্দ্ৰপুৰ হৈ জাগীৰোড মৰিগাঁৱলৈ পকী পথ নিৰ্মাণ কৰা হৈছে। আন এটি পথ পবিতৰা হৈ চমতাৰ ৩৭নং ৰাষ্ট্ৰীয় ঘাইপথ সংযুক্ত হৈছে। জাগীৰোডৰ পৰা ৩১ কিলোমিটাৰ, মৰিগাঁৱৰপৰা ৪০ কিলোমিটাৰ আৰু গুৱাহাটীৰপৰা ৪০ কিলোমিটাৰ দূৰত্বত এই অঞ্চল অৱস্থিত।

**০.০৮ ধৰ্মীয় দিশ ঃ**

মায়ং অঞ্চলৰ লোকসকলৰ ধৰ্মীয় ইতিহাস আলোচনা কৰাৰ আগতে মৰিগাঁও

জিলাৰ ধৰ্মীয় ইতিহাস সম্পৰ্কে আলোচনা বাঞ্ছনীয়। ২০০১ চনৰ লোক পিয়ল অনুসৰি মৰিগাঁও জিলাৰ ধৰ্মীয় লোকৰ সংখ্যা- হিন্দু ৪০,৫৩০২ (৫২.২%); ইছলাম ৩৬৯৩৯৮ (৪৭.৩৯%); খৃষ্টান ৬৩৯৮ (১.২%); শিখ ১৪২ (০.০২%); বৌদ্ধ ১১৯৯ (০.২১%); জৈন ২০৩ (০.০৪%) ইত্যাদি।

তন্ত্র-মন্ত্ৰৰ দেশ হিচাপে অতি প্ৰাচীন কালৰপৰাই পুৰণি কামৰূপৰ প্ৰসিদ্ধি আছে। পৃথিৱীৰ বিভিন্ন জনগোষ্ঠীৰ মাজত প্ৰচলন থকাৰদৰে অসমতো সৰ্পপূজা, শিলপূজা, বৃক্ষপূজা প্ৰকৃতি পূজা আদি পৰম্পৰাৰ প্ৰচলন আছে। ধৰ্মীয় ইতিহাস বুলিলে ঘাইকৈ কৈৰাতজ শৈৱ, শাক্ত, বৈষ্ণৱ, গাণপত্য, বৌদ্ধ, জৈন, ইছলাম, খৃষ্টান আদি পন্থসমূহৰ ইতিহাসকেই বুজায়।

মায়ং অঞ্চলত হিন্দু ধৰ্মৰ লগতে, ইছলাম ধৰ্মীয় লোকেও বসবাস কৰি আহিছে। হিন্দুধৰ্মী লোকসকলৰ মাজত বৰ্তমানে এক মিশ্ৰিত ধৰ্মই গা কৰি উঠা দেখিবলৈ পোৱা যায়। ধৰ্মীয় উদাহৰণৰ কাৰণে শৈৱধৰ্মী লোকেই গণেশ পূজা, বিষ্ণুপূজা, মনসা পূজা, কালী পূজাও কৰা দেখা যায়।

**শিক্ষা ঃ** শৈক্ষিক দিশত মায়ং আজিও পিছপৰা বুলিয়েই ক'ব পৰা যায়। ১৯০৪ চনৰ পূৰ্বে মায়ং কেন্দ্ৰীয় প্ৰাথমিক বিদ্যালয়ে প্ৰাথমিক শিক্ষাৰ বাট মুকলি কৰি দিয়া মায়ং অঞ্চলত বৰ্ত্তমান বহুকেইখন প্ৰাথমিক বিদ্যালয় আৰু ১৫/২০খন মধ্য ইংৰাজী বিদ্যালয় স্থাপিত হৈছে। ১৯৬০ চনত মায়ঙ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰতিষ্ঠা হয়। ১৯৮৫ চনত এই বিদ্যালয়খন উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত হয়। এই বিদ্যালয়খনে ইতিমধ্যে সোণালী জয়ন্তী বৰ্ষ অতিক্ৰম কৰিছে। ১৯৯২ চনত 'মায়ং আঞ্চলিক মহাবিদ্যালয়খন গঢ় লৈ উঠে। বুঢ়াবুঢ়ী উচ্চ মাধ্যমিক বিদ্যালয়ো উচ্চতৰ শাখালৈ উন্নীত হয় আৰু লগতে কেইবাখনো উচ্চ মাধ্যমিক স্কুল প্ৰতিষ্ঠা হয়।

### ০.০৯ কলা-সংস্কৃতি ঃ

অঞ্চলটোত অনুষ্ঠিত বিভিন্ন উৎসৱ-অনুষ্ঠানে অঞ্চলটোৰ কলা-সংস্কৃতিৰ বিকাশত সহায় কৰি আহিছে। মায়ঙৰ গাঁওসমূহত নিয়মিতভাৱে পূজা-উৎসৱ, তিথি, জন্মাষ্টমী,

শিৱৰাত্ৰি, ফাকুৱা, ভাওনা-সবাহ, বছেৰেকীয়া অনুষ্ঠান আদি অনুষ্ঠিত হয়।

১৯৭৮ চন মানৰ পৰা সংগ্ৰহ কৰা ঐতিহাসিক সামগ্ৰীসমূহক লৈ ২০০২ চনত গঢ় লৈ উঠে 'মায়ং কেন্দ্ৰীয় সংগ্ৰাহালয়'ত পুৰাতাত্বিক সমল, ৰজাঘৰীয়া সামগ্ৰী, সাঁচিপতীয়া পুথি, মুদ্ৰা আদি সংৰক্ষিত কৰি ৰখা হৈছে। ইতিমধ্যে 'নাথ-যোগী উন্নয়ন পৰিষদে' মায়ঙত এটা যাদুঘৰ, আৰ্কাইভ আৰু অধ্যয়নকেন্দ্ৰ প্ৰতিষ্ঠা কৰি এই সম্পদসমূহ সংৰক্ষণৰ ব্যৱস্থা কৰিছে।

মৰিগাঁও জিলাত প্ৰাচীন কালৰপৰাই লালুং বা তিৱাসকলে বসবাস কৰি আহিছে। অবিভক্ত নগাঁও জিলা অতীজৰে পৰা বৰ্ত্তমানলৈকে লালুং বা তিৱা প্ৰধান অঞ্চল হৈ আহিছে।[১০] মৰিগাঁও জিলাৰ উত্তৰ সীমাৰে ব্ৰহ্মপুত্ৰ নদী বৈ গৈছে। 'অসমৰ বৰলুইতৰ পাৰে পাৰে অতীজৰে পৰা বড়োসকলে বাস কৰি আহিছে।'[১১] মৰিগাঁও জিলাৰ বড়োসকল অতীজৰে বাসিন্দা। মায়ং অঞ্চলৰ পাভকাটি গাঁৱত বড়োসকলে বসবাস কৰি আহিছে। বড়োসকলে অঞ্চলটোৰ সাংস্কৃতিক আৰু সমাজ গঠনত যথেষ্ট অৱিহণা যোগাইছে।

অতীজতে নগা পৰ্বত আৰু শিৱসাগৰ জিলাৰ মাজৰ সমভূমি অঞ্চলত বাস কৰা কাৰ্বিসকলে ক্ৰমে ক্ৰমে অসমৰ পাহাৰ ভৈয়ামৰ অনেক অঞ্চললৈ বসতি বিস্তাৰ কৰাৰ ফলত মৰিগাঁও অঞ্চলতো অনেক কাৰ্বি সম্প্ৰদায়ৰ লোকে বাস কৰা দেখা যায়।[১২] ইম্পিৰিয়েল গেজেটিয়াৰ অৱ ইণ্ডিয়া'ৰ মতে কাৰবি, লালুং আৰু কছাৰীসকল নগাঁও জিলাৰ আদিবাসী।

নাথ-যোগীসকল অসমৰ ভূমিপুত্ৰ। এসময়ত নাথ-যোগী কপিল নাথে কপিলী উপত্যকাত আশ্ৰম পাতিছিল। সমটত, ডবকা, কদলী আদিত নাথ-যোগী ৰজাই ৰাজত্ব কৰাৰ কথা প্ৰত্নতাত্বিক সাক্ষ্যৰ পৰা জনা যায়। মৎসেন্দ্ৰনাথ, গোৰক্ষনাথ প্ৰভৃতি নাথ-যোগীসকলৰ সমান্তৰালভাৱে খৃষ্ট্ৰীয় অষ্টমৰপৰা দ্বাদশ শতিকাৰ পাল আৰু শালস্তম্ভ ৰজাৰ ৰাজত্ব কালত চৌৰাশী সিদ্ধাচাৰ্যৰ অন্তৰ্গত সৰহপাদ, সবৰপাদ, কাহ্নুপাদ, মীননাথ

---

১০ বুঢ়াগোঁহাই, বিৰিঞ্চিধৰ ঃ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩

১১ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩

১২ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৩

প্ৰভৃতি নাথ-যোগী সিদ্ধসকলে চৰ্যাগীত, দোহাকোষ প্ৰভৃতি ৰচনা কৰি পুৰণি অসমীয়া ভাষাৰ ভেঁটি নিৰ্মাণ কৰিছিল। মায়ঙৰ মন্ত্ৰ নাথ সম্প্ৰদায়ৰ তন্ত্ৰ-মন্ত্ৰ চৰ্চাৰ উৎকৃষ্ট নিদৰ্শন। মায়ং অঞ্চলৰ ৰজামায়ং এখন প্ৰসিদ্ধ যোগী লোকৰ গাঁও। ৰজামায়ং অঞ্চলক কেন্দ্ৰ কৰিয়েই মন্ত্ৰ আৰু প্ৰাকৃতিক চিকিৎসা পদ্ধতি প্ৰচলন আজিও কম বেছি পৰিমাণে হৈ আছে।

মায়ং অঞ্চলৰ হাতীমূৰীয়া গাঁৱত কোচ সম্প্ৰদায়ৰ লোকে বসবাস কৰি আছে। 'ৰজাচুবাত' ৰজা ঘৰীয়া বংশ পৰিয়াল তথা বৰ্ত্তমান ৪০তম ৰজা তৰণীকান্ত কোঁৱৰৰ বাসগৃহ। অঞ্চলটোত এটা আহোম পৰিয়াল বসবাস কৰি আহিছে। সতীভেটি, লোণমাটি, হিলৈখুন্দা, চনকা আদি গাঁৱত কোচ, কলিতা, কেওট সম্প্ৰদায়ৰ লোকে বসবাস কৰি আহিছে।

মায়ঙত বসবাস কৰা হীৰা সম্প্ৰদায়ৰ লোক সকল অতি পুৰণি কালৰ লোক। তেওঁলোকে প্ৰধানকৈ মৃৎশিল্পৰ লগত জড়িত। চৰু, টেকেলি, মলা, কলহ, নদীয়া আদি মাটিৰে সাজি জীৱিকা নিৰ্বাহ কৰে। কমাৰপুৰ অঞ্চলৰ এনে লোকৰ বসতিস্থল।

কলং-কপিলী আদি নদীক কেন্দ্ৰ কৰি নদীয়াল বা কৈৱৰ্ত্ত লোকসকলে বসবাস কৰি আহিছে। মায়ং অঞ্চলৰ উত্তৰে কাছশিলাত নদীয়াল বা কৈৱৰ্ত্ত সকলৰ গাঁও আছে। মৰিগাঁও জিলাত বাস কৰা কৈৱৰ্ত্ত বা নদীয়াল সকলৰ কিছুমান মানৰ আক্ৰমনৰ সময়ত ইয়ালৈ ভগনীয়া হৈ আহিছিল বুলি জনা যায়।[১৩]

গতিকে দেখা যায় যে মায়ং অঞ্চলৰ জনগাঁথনিত আৰ্য, অষ্ট্ৰিক, তিব্বতবৰ্মী আৰু ভাৰতৰ বিভিন্ন প্ৰান্তৰপৰা অহা ভিন্ ভিন্ ভাষা তথা ধৰ্মাৱলম্বী লোকে বসবাস কৰা দেখা যায়। মায়ং অঞ্চলৰ সমাজখন নানা ভাষা-ভাষী, জাতি-উপজাতিয়ে গঢ় দিয়াৰ দৰে বিভিন্ন গোষ্ঠীয়ে তেওঁলোকৰ নিজ নিজ কলা-সংস্কৃতিৰ বৰঙণিৰে অঞ্চলটোৰ সংস্কৃতি টনকিয়াল কৰি তুলিছে।

---

১৩ প্ৰাগুক্ত গ্ৰন্থ, পৃ. ৭

### ০.১০ প্ৰমেয় (Hypothesis) ঃ

প্ৰস্তাৱিত অধ্যয়নৰ প্ৰথম প্ৰমেয় এই যে ঠাইখনৰ লোকসাহিত্য ঘাইকৈ মন্ত্ৰসাহিত্য অসমীয়া লোকসাহিত্যত এক অভিনৱ সংযোজন আৰু ই অতি সমৃদ্ধিশালী।

দ্বিতীয় প্ৰমেয় এই যে মন্ত্ৰসমূহ সাহিত্যিক আৰু নান্দনিক বৈশিষ্ট্যৰেও সুসমৃদ্ধ। স্বাভাৱিকতে ইয়াৰ এটা পূৰ্ণাঙ্গ ৰূপ আছে।

তৃতীয় প্ৰমেয় হ'ল অঞ্চলটোৰ লোক-সাহিত্যৰ এক ঐতিহ্যপূৰ্ণ ধাৰাবাহিক ইতিহাস আছে আৰু সি মৰিগাঁও জিলাৰ লোকসমাজৰ স্বৰূপ প্ৰকাশত সহায় কৰি আহিছে।

অতীজৰে পৰা অঞ্চলটোৱে দেশী-বিদেশী পৰ্যটকৰ মনোযোগ আকৰ্ষণ কৰি আহিছে। অঞ্চলটোৰ প্ৰতি উৎসুক্যৰ শেষ নাই।

❑❑❑